অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং – ১৬৭
উত্তৰ দানৰ তাৰিখ : ০৯/০৭/২০২৬

বিষয় ঃ চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়, তিনিচুকীয়া।

বিধায়কৰ নাম ঃ শ্ৰীপুলক গোহাঁই

<u>প্ৰশ্ন</u> ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া বিধান সভা সমষ্টিত ৬ (ছয়) খন "চাহ বাগিচাত আদৰ্শ বিদ্যালয়" নিৰ্মাণ কৰা হৈছে। এখন "চাবিত্ৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়"ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা নাই যদিও পাঠদানৰ কাম-কাজ আৰম্ভ হৈছে । প্ৰতিটো বিষয়ৰ বিপৰীতে এই বিদ্যালয়সমূহলৈ কেতিয়া স্থায়ী ভাৱে শিক্ষক নিযুক্তি দিয়া হ'ব ? এইবিষয়ে জনাব।

(খ) DEEO/BEEO/15ৰ কাৰ্যালয় সমূহলৈ হাউচ কিপিং পৰিষ্কাৰ পৰিচ্ছনতা, মেৰামতি আদিৰ বাবে অতি ন্যূনতম পুঁজিহে মঞ্জুৰ কৰা হয়। এই পুঁজি বৃদ্ধি কৰাৰ অৰ্থে চৰকাৰৰ তৰফৰ পৰা বাজেটত প্ৰস্তাৱ ৰখা হৈছে নেকি ? বিতংকৈ জনাব।

<u>উত্তৰ</u> ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিব ঃ

(ক) নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা "চাহ বাগিছা আদৰ্শ বিদ্যালয় সমূহত শিক্ষক নিযুক্তি নিদিয়ালৈকে, পাঠদান কাৰ্য্য চলাবৰ বাবে অন্যান্য বিদ্যালয়ৰ পৰা শিক্ষক মোতায়েন কৰাৰ ব্যৱস্থা কৰা হৈছে। "চাহ বাগিচা আদৰ্শ বিদ্যালয়" সমূহত স্থায়ী শিক্ষক-কৰ্মচাৰী নিয়োগৰ বাবে প্ৰয়োজনীয় ৯৪৪ টা পদ সৃষ্টি কৰা হৈছে।

(খ) প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয় আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয় সমূহলৈ হাউচ কিপিং, পৰিষ্কাৰ-পৰিচ্ছন্নতা, মেৰামতি আদিৰ বাবে, এই কাৰ্য্যালয় সমূহৰ প্ৰয়োজন অনুসৰি বাজেটত পূঁজি ধাৰ্য কৰা হয়। এই পূঁজি বৃদ্ধি কৰাৰ বাবে বিত্তীয় বৰ্ষ ২০২৬-২৭ৰ বাজেটত কোনো ধৰনৰ প্ৰস্তাৱ ৰখা হোৱা নাই । সংশ্লিষ্ট কাৰ্য্যালয় সমূহৰ পৰা এই পূঁজি বৃদ্ধিৰ কাৰণে প্ৰস্তাৱ লাভ কৰিলে, বাজেটত অন্তৰ্ভূক্তিৰ বাবে প্ৰয়োজনীয় অনুমোদনৰ কাৰণে উৰ্ধতম কৰ্তৃপক্ষলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব।

মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয় সমূহৰ হাউচ কিপিং, পৰিষ্কাৰ পৰিচ্ছন্নতা, মেৰামতি আদিৰ বাবে বৰ্তমানলৈ বাজেটত কোনোধৰণৰ পুঁজিৰ আবণ্টন হোৱা নাই।

(উক্ত প্ৰশ্নোত্ত National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে।)

*************************